**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 19-09-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। ব্যক্তিগত ডিজিটেল তথ্য সুৰক্ষাৰ নিয়মীৱলী চূড়ান্ত কৰা হৈছে বুলি কেন্দ্ৰীয় ইলেক্ট্ৰনিক্স আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে প্ৰকাশ কৰিছে।

২। ভাৰত আৰু চাইপ্ৰাছে দ্বিপাক্ষিক বাণিজ্য আৰু বিনিয়োগ ত্বৰান্বিত কৰাৰ উদ্দেশ্যে বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে।

৩। গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ মন্ত্ৰালয়ে সোমবাৰৰ পৰা প্ৰযোজ্য হ'বলগীয়া সামগ্ৰী আৰু সেৱা কৰৰ নতুন নিৰিখলৈ চাই সংশোধিত পৰামৰ্শাৱলী জাৰি কৰিছে।

৪। শিক্ষা ব্যৱস্থাৰ আধুনিকীকৰণৰ বাবে শিক্ষা মন্ত্ৰালয় প্ৰতিশ্ৰুতিবদ্ধ বুলি কেন্দ্ৰীয় মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে মন্তব্য কৰিছে।

***আৰু***

৫। শ্ৰীলংকাই আফগানিস্তানক ৬ উইকেটত পৰাস্ত কৰি এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ ফ'ৰ পৰ্যায়ত প্ৰৱেশ কৰিছে।

০০০০০

কেন্দ্ৰীয় ইলেক্ট্ৰনিকছ আৰু তথ্য-প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কৈছে যে ডিজিটেল ব্যক্তিগত তথ্য সুৰক্ষাৰ নিয়মাৱলী চূড়ান্ত কৰা হৈছে আৰু অতি সোনকালে এই নিয়মাৱলী প্ৰকাশ কৰা হ'ব। ২০২৬ চনত ভাৰতত কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰভাৱ সম্পৰ্কীয় আলোচনাৰ বাবে হ'বলগীয়া সন্মিলনৰ প্ৰতীকচিহ্ন আৰু মূল কাৰ্যসূচী মুকলি কৰাৰ সময়ত মন্ত্ৰীগৰাকীয়ে এই কথা প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে ভাৰতত বৰ্তমান ৩৮ হাজাৰ গ্ৰাফিকছ্ নিৰ্মাণ কেন্দ্ৰ আছে আৰু অদূৰ ভৱিষ্যতে অধিক কেন্দ্ৰ উপলব্ধ কৰোৱা হ'ব। ৫০০ৰো অধিক তথ্য আৰু কৃত্ৰিম বুদ্ধিমত্তা সম্পৰ্কীয় পৰীক্ষাগাৰৰ সম্প্ৰসাৰণে কৃত্ৰিম বুদ্ধিমত্তা আৰু ইলেক্ট্ৰনিকছৰ ক্ষেত্ৰত সৰ্বাংগীন বৃদ্ধি, অত্যাধুনিক প্ৰযুক্তি আৰু দেশৰ গোলকীয় নেতৃত্বৰ পথ প্ৰশস্ত কৰিব বুলি শ্ৰীবৈষ্ণৱে মন্তব্য কৰে। তেওঁ কয় যে, কৃত্ৰিম

বুদ্ধিমত্তা উদ্যমে ভাৰতত চকুত লগা অগ্ৰগতি লাভ কৰিছে আৰু দেশৰ বিভিন্ন খণ্ডলৈ সুবিধা প্ৰদান কৰিব পৰাকৈ এই উদ্যমৰ বিকাশ হৈছে। মন্ত্ৰীগৰাকীয়ে কয় যে পৰৱৰ্তী বৰ্ষত ভাৰতত কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰভাৱ সম্পৰ্কীয় আলোচনাৰ বাবে সন্মিলনৰ আয়োজন কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উদ্বোধন কৰিব লগা এই সন্মিলনত বিভিন্ন দেশৰ চৰকাৰৰ মুৰব্বীয়ে যোগ দিব বুলি তেওঁ সদৰী কৰে।

ooooo

চাইপ্ৰাছৰ পৰা অহা এটা উচ্চ পৰ্যায়ৰ চৰকাৰী আৰু ব্যৱসায়িক প্ৰতিনিধি দলে শেহতীয়াকৈ মুম্বাই ভ্ৰমণ কৰি ভাৰতৰ সৈতে দেশখনৰ দ্বিপাক্ষিক অৰ্থনৈতিক, বাণিজ্য আৰু বিনিয়োগৰ সম্পৰ্ক অধিক শক্তিশালী কৰি তোলে। এই ভ্ৰমণৰ সময়ত মুম্বাইৰ বিশ্ব বাণিজ্য কেন্দ্ৰই ইনভেষ্ট চাইপ্ৰাছ সংস্থা আৰু চাইপ্ৰাছৰ বিশ্ব বাণিজ্য কেন্দ্ৰৰ সৈতে দ্বিপাক্ষিক বাণিজ্য আৰু বিনিয়োগক লাভান্বিত কৰাৰ বাবে বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। এই চুক্তিয়ে ইউৰোপীয় বজাৰত প্ৰৱেশৰ বাবে চাইপ্ৰাছক কৌশলগত দুৱাৰ হিচাপে ব্যৱহাৰ কৰিবলৈ ভাৰতীয় ব্যৱসায়ীসকলৰ ক্ষেত্ৰত অধিক সুযোগৰ সৃষ্টি কৰিব। এই চুক্তিয়ে উভয় দেশৰ মাজত প্ৰযুক্তি, গৱেষণা, জাহাজ চলোৱা, উদ্ভাৱন আদি ক্ষেত্ৰত থকা সম্পৰ্ক ত্বৰান্বিত কৰিব বুলি আশা কৰা হৈছে। ভাৰতত থকা চাইপ্ৰাছৰ উচ্চায়ুক্ত ইভাগোৰাছ ভ্ৰয়নাইডছ ডাঙৰীয়াৰ উপস্থিতিত এই বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। চুক্তি স্বাক্ষৰ হোৱাৰ সময়ত ইনভেষ্ট চাইপ্ৰাছৰ মুখ্য কাৰ্যবাহী বিষয়া মাৰিঅ’ছ টানৌছিছ আৰু মুম্বাইৰ বিশ্ব বাণিজ্য কেন্দ্ৰৰ অধ্যক্ষ ড০ বিজয় কলন্ত্ৰিও উপস্থিত থাকে। এই উপলক্ষে দিয়া ভাষণত শ্ৰীভ্ৰায়নাইডছে কয় যে ২০২৫ চনৰ অক্টোবৰত ভাৰত আৰু ইউৰোপীয় সংঘৰ মাজত মুক্ত বাণিজ্য চুক্তি সম্পৰ্কে হ'বলগীয়া চতুৰ্দশলানি আলোচনাই ভাৰত আৰু চাইপ্ৰাছৰ মাজৰ বান্ধোন অধিক শক্তিশালী কৰাৰ সম্ভাৱনা আছে। তেওঁ লগতে কয় যে চাইপ্ৰাছৰ গৱেষণা বিশেষজ্ঞ আৰু পেছাদাৰী সেৱাৰ সৈতে ডিজিটেল প্ৰযুক্তিৰ ক্ষেত্ৰত থকা ভাৰতৰ গোলকীয় নেতৃত্বই শক্তিশালী সহযোগিতা গঢ়ি তুলিব পাৰে আৰু এই সহযোগিতাই উভয় দেশক সন্মিলিতৰূপত উদ্ভাৱন আৰু প্ৰতিযোগিতামূলক ক্ষমতাৰ দিশত আগুৱাই নিব। ইপিনে, ড০ কলন্ত্ৰিয়ে কয় যে অন্যান্য ইউৰোপীয় ৰাষ্ট্ৰত প্ৰৱেশৰ বাবে চাইপ্ৰাছ হৈছে ভাৰতৰ দুৱাৰ। বিত্তীয় প্ৰযুক্তি আৰু উদ্ভাৱনৰ ক্ষেত্ৰত বৰ্ধিত সহযোগিতাই দুয়োখন দেশকে উপকৃত কৰিব

বুলি তেওঁ মন্তব্য কৰে। উভয় দেশৰ মাজৰ বাণিজ্যই ভৱিষ্যতে এশ কোটি মাৰ্কিন ডলাৰৰ সীমা অতিক্ৰম কৰিব বুলিও তেওঁ আশা প্ৰকাশ কৰে।

০০০০০

গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ মন্ত্ৰালয়ে সোমবাৰৰ পৰা প্ৰযোজ্য হ'বলগীয়া সামগ্ৰী আৰু সেৱা কৰৰ নতুন নিৰিখলৈ  চাই সংশোধিত পৰামৰ্শাৱলী জাৰি কৰিছে। এই অনুসৰি নিৰ্মাতা, পেকিং কৰা কামত নিয়োজিত লোক আৰু আমদানীকাৰিসকলে ২২ ছেপ্তেম্বৰৰ পূৰ্বে নিৰ্মাণ বা প্ৰস্তুত কৰা আৰু বিক্ৰী নোহোৱা সামগ্ৰীৰ পেকেটত সংশোধিত মূল্যৰ ষ্টিকাৰ লগাব পাৰিব। কিন্তু পেকেজত পূৰ্বতে ছপা সৰ্বাধিক খুচুৰা মূল্য স্পষ্ট হ'ব লাগিব। মন্ত্ৰালয়ে জি এছ টিৰ সংশোধিত নিৰিখ প্ৰযোজ্য হোৱাৰ পূৰ্বে  পেকেজিং কৰা সামগ্ৰী অহা বছৰ মাৰ্চ পৰ্যন্ত অথবা মজুত ৰখা সামগ্ৰী শেষ নোহোৱালৈকে ব্যৱহাৰৰ অনুমতি প্ৰদান কৰিছে। কোম্পানীসমূহে নতুন ষ্টিকাৰ লগাই বা পেকেটৰ কোনো উপযুক্ত স্থান ছপা কৰি সৰ্বাধিক খুচুৰা মূল্যৰ শুধৰণি কৰিব পাৰিব বুলি পৰামৰ্শাৱলীত উল্লেখ কৰা হৈছে। চৰকাৰে ডিলাৰ, খুচুৰা বিক্ৰেতা আৰু গ্ৰাহক সকলক জি এছ টি নিৰিখৰ বিষয়ে অৱগত কৰোৱাৰ বাবে নিৰ্মাতা, পেকিং কৰা কামত নিয়োজিত লোক আৰু আমদানীকাৰিসকলক যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ কৈছে। ইয়াৰ বাবে বৈদ্যুতিক, ছপা আৰু সামাজিক মাধ্যমকে ধৰি যোগাযোগৰ সকলো মাধ্যমৰ সহায় ল'ব পৰা যাব। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে এই পদক্ষেপে ব্যৱসায়িক সূচলতা আৰু গ্ৰাহকসকলৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ প্ৰয়াসৰ মাজত সন্তুলন বৰ্তাই ৰখাত সহায় কৰিব। ইয়াৰ উপৰি উদ্যোগসমূহৰ ওপৰত যাতে বিভিন্ন নিয়ম ৰক্ষা কৰাৰ অত্যধিক বোজা নপৰে সেয়াও সুনিশ্চিত হ'ব।

০০০০০

সামগ্ৰী আৰু সেৱা কৰ জি এছ টিৰ নতুন নিৰিখসমূহ সোমবাৰৰ পৰা প্ৰযোজ্য হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এইবাৰ স্বাধীনতা দিৱসৰ ভাষণত পৰৱৰ্তী প্ৰজন্মৰ জি এছ টি সংস্কাৰৰ কথা ঘোষণা কৰিছিল। সামগ্ৰী আৰু সেৱা কৰ পৰিষদে প্ৰধানমন্ত্ৰীৰ দৃষ্টিভংগী বাস্তৱায়িত কৰি অলপতে কৰ পৰিকাঠামো সৰল কৰি তোলাৰ লগতে জনসাধাৰণৰ বিত্তিয় বোজা লাঘৱ কৰাৰ উদ্দেশ্যে ভালেমান উদ্যম গ্ৰহণ কৰিছে। এনে উদ্যমৰ অংশ হিচাপে দুচকীয়া বাহন আৰু সৰু গাড়ীৰ ওপৰত আৰোপিত কৰ হ্ৰাস কৰা হৈছে। পৰৱৰ্তী প্ৰজন্মৰ জি এছ টি সংস্কাৰৰ অধীনত চৰকাৰে ৩৫০ চিচি পৰ্যন্ত  ইঞ্জিন বিশিষ্ট দুচকীয়া বাহনৰ ক্ষেত্ৰত জি এছ টিৰ হাৰ ২৮ৰ পৰা ১৮ শতাংশলৈ হ্ৰাস কৰিছে। এই সিদ্ধান্তই নিম্ন মধ্যবিত্ত শ্ৰেণীৰ পৰিয়াল, যুৱ বৃত্তিধাৰী লোক আৰু প্ৰকল্প আধাৰিত হ্ৰস্বকালীন কামত নিয়োজিত লোকসকলক সকাহ প্ৰদান কৰিব। সৰু গাড়ীৰ ওপৰত আৰোপিত জি এছ টিও পূৰ্বৰ ২৮ শতাংশৰ পৰা ১৮ শতাংশলৈ হ্ৰাস কৰা হৈছে। ইয়াৰ ফলত মটৰগাড়ীসমূহ মধ্যবিত্ত শ্ৰেণীৰ বাবে অধিক বহনক্ষম হৈ উঠিব আৰু যানবাহন খণ্ডও শক্তিশালী হৈ উঠিব বুলি আশা কৰা হৈছে। জি এছ টি হ্ৰাস পোৱাৰ ফলত নিৰ্মাণ খণ্ড, ক্ৰয়-বিক্ৰয় সেৱা আৰু বিত্তিয় খণ্ডৰ কৰ্মসংস্থাপনৰ সুবিধাৰ সৃষ্টি হ'ব আৰু দেশৰ বিকাশ ত্বৰান্বিত হ'ব।

০০০০০

সেৱা আৰু সু-শাসনৰ মন্ত্ৰৰে পৰিচালিত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰে পৰিৱৰ্তন আৰু প্ৰগতিৰ বাবে অক্লান্তভাৱে কাম কৰি আহিছে। আজি আমি মোদী চৰকাৰে সমগ্ৰ দেশত মহিলা সৱলীকৰণৰ প্ৰক্ৰিয়া শক্তিশালী কৰি তুলিছে সেই বিষয়ে চমু প্ৰতিবেদন আগবঢ়াইছোঁ।

## *প্ৰতিবেদন*

বিগত ১১ বছৰত চৰকাৰে সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক আৰু আইনী ক্ষেত্ৰত মহিলাসকলক সবল কৰি তোলাৰ উদ্দেশ্যে জীৱনচক্ৰ আধাৰিত সৰ্বাত্মক নীতি পৰিকাথামো গ্ৰহণ কৰিছে। নাৰী শক্তি সম্প্ৰতি ৰাষ্ট্ৰীয় অভিযানৰূপে পৰিগণিত হৈছে আৰু ইয়াৰ জৰিয়তে নগৰীয়া অথবা গ্ৰাম্যাঞ্চল, যুৱ অথবা জ্যেষ্ঠ প্ৰতিগৰাকী মহিলাক মৰ্যাদা, নিৰাপত্তা আৰু আত্মনিৰ্ভৰশীলতাৰে জীয়াই থকাৰ বাবে প্ৰতিগৰাকী মহিলাক সবল কৰি তোলা হৈছে। সাংবিধানিক ৰক্ষা কবচ আৰু হিংসা-বৈষম্যৰ বিৰুদ্ধে ঐতিহাসিক আইনৰ পৰা উপান্তৰকামী আঁচনিলৈকে সকলো ক্ষেত্ৰতে মহিলাৰ উন্নয়নৰ পৰা মহিলাৰ নেতৃত্বত উন্নয়নৰ বিষয়টোত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। বেটি বচাও বেটী পঢ়াঅ' আঁচনিখনে আকাংক্ষিত ফলাফল প্ৰদান কৰিবলৈ সমৰ্থ হৈছে আৰু ২০২৩-২৪ বৰ্ষত ৰাষ্ট্ৰীয় পৰ্যায়ত লিংগ অনুপাত প্ৰতি এহেজাৰ পুৰুষৰ বিপৰীতে ৯৩০লৈ  বৃদ্ধি পাইছে। একেদৰে ২০১৫ চনৰ জানুৱাৰীত আৰম্ভ কৰা সুকন্যা সমৃদ্ধি যোজনাখন সমগ্ৰ দেশৰ লাখ লাখ যুৱতীৰ বাবে আশাৰ ৰেঙণি ৰূপে পৰিগণিত হৈছে। চৰকাৰে আত্মসহায়ক গোটৰ মহিলাসকলক সবল কৰি তোলাৰ লগতে তেওঁলোকক বছৰি কমেও এক লাখ টকা উপাৰ্জন কৰিবলৈ সমৰ্থ কৰি তোলাৰ উদ্দেশ্যে লাখপতি বাইদেউ উদ্যম ৰূপায়ণ কৰিছে। মহিলাসকলে সম্প্ৰতি তৃণমূল পৰ্যায়ৰ প্ৰশাসনৰ পৰা প্ৰতিৰক্ষা বাহিনী আৰু অসামৰিক বিমান পৰিবহনলৈকে বিভিন্ন ক্ষেত্ৰত অগ্ৰণী ভূমিকা পালন কৰি আছে আৰু দেশৰ সৰ্বাত্মক তথা নিৰন্তৰ ৰাষ্ট্ৰীয় বিকাশৰ চালিকাশক্তি ৰূপে পৰিগণিত হৈছে।

০০০০০

কেন্দ্ৰীয় শিক্ষা মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে কালি স্কুলীয়া শিক্ষাত ৰাষ্ট্ৰীয় শিক্ষা নীতি ৰূপায়ন সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। শ্ৰী প্ৰধানে সামাজিক মাধ্যমযোগে কয়, যে শিক্ষা ব্যৱস্থাৰ আধুনিকীকৰণ আৰু শিকন প্ৰক্ৰিয়াক অধিক আনন্দদায়ক তথা শিক্ষাৰ্থীকেন্দ্ৰিক কৰি তোলাৰ বাবে শিক্ষা মন্ত্ৰালয় প্ৰতিশ্ৰুতিবদ্ধ। তেওঁ কয়, যে মন্ত্ৰালয়ে দেশৰ শিশুসকলক বিশ্বমানৰ স্কুলীয়া শিক্ষা প্ৰদান কৰিব।

০০০০০

শ্ৰীলংকাই যোৱা নিশা আবুধাবিত অনুষ্ঠিত এছিয়া কাপ টি ২০ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আফগানিস্তানক ৬ উইকেটত পৰাস্ত কৰি ছুপাৰ ফ'ৰ পৰ্যায়ত প্ৰৱেশ কৰে। শ্ৰীলংকাই ১৭০ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৮ অভাৰ আৰু ৪ টা বলত চাৰিটা উইকেট হেৰুৱাই ১৭১ ৰান কৰে। শ্ৰীলংকাৰ হৈ কুশল মেণ্ডিজে ৫২ টা বলত ৭৪ ৰান কৰি আউট নোহোৱাকৈ থাকে। ইয়াৰ আগেয়ে আফগানিস্তানে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৮ টা উইকেট হেৰুৱাই ১৬৯ ৰান কৰে। আফগানিস্তানৰ মহম্মদ নবীয়ে ২২ টা ৬০ ৰান কৰে। শ্ৰীলংকাৰ কুশল মেণ্ডিজক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোওণা কৰা হয়।

এই জয়ৰ সুবাদত শ্ৰীলংকাৰ গ্ৰুপ বিৰ পইণ্ট তালিকাত শীৰ্ষ স্থান দখল কৰে। গ্ৰুপটোত অন্তৰ্ভুক্ত বাংলাদেশেও তিনিখন খেলৰ দুখনত জয়লাভ কৰি প্ৰতিযোগিতাৰ পৰৱৰ্তী পৰ্যায়ৰ স্থান নিশ্চিত কৰিছে। প্ৰতিযোগিতা আজি আবু ধাবিৰ শ্বেখ জায়েদ ষ্টেডিয়ামত হ'বলগীয়া গ্ৰুপ এৰ এখন খেলত ভাৰত ওমানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব।

০০০০০

সমাপ্ত